**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। এখন সুস্থ বিশ্বৰ ভৱিষ্যৎ অন্তৰ্ভুক্তি, সংহত দৃষ্টিভংগী আৰু সহযোগিতাৰ ওপৰত নিৰ্ভৰণশীল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। গৃহ মন্ত্ৰালয়ে ২০২৬ বৰ্ষৰ পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন আহ্বান কৰিছে।

৩। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে অপাৰেচন সিন্দুৰৰ পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ ৰণনীতিৰ বিষয়ে বিশ্বক অৱগত কৰাৰ উদ্দেশ্যে প্ৰেৰণ কৰিবলগীয়া বহুদলীয় প্ৰতিনিধি দলৰ সদস্যসকলক যাৱতীয় বিষয় সম্পৰ্কে অৱগত কৰে।

৪। উচ্চতম ন্যায়ালয়ে ন্যায়িক সেৱাৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ পদসমূহৰ অধিবক্তা হিচাপে তিনি বছৰৰ অভিজ্ঞতা পুনৰ বাধ্যতামূলক কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

এখন সুস্থ বিশ্বৰ ভৱিষ্যৎ - অন্তৰ্ভুক্তি, সংহত দৃষ্টিভংগী আৰু সহযোগিতাৰ ওপৰত নিৰ্ভৰশীল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ছুইজাৰলেণ্ডৰ জেনেভাত অনুষ্ঠিত বিশ্ব স্বাস্থ্য সভাৰ ৭৮ সংখ্যক সত্ৰত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে মন্তব্য কৰে। স্বাস্থ্য প্ৰত্যাহ্বানসমূহে বিশেষকৈ গ্লোৱেল ছাউথ হিচাপে জনাজাত ঔদ্যোগিকৰণ আৰু আৰ্থিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় দৃষ্টিভংগীয়ে এই সমস্যা সমাধান অনুকৰণীয় আৰু স্থায়ী আৰ্হিৰ সন্ধান দিয়ে। তেওঁ কয়, যে অন্তৰ্ভুক্তি দেশৰ স্বাস্থ্য সংস্কাৰ প্ৰক্ৰিয়াৰ ভেঁটিস্বৰূপ আৰু সেই অনুযায়ী চৰকাৰে সমগ্ৰ দেশত স্বাস্থ্য আৰু আৰোগ্য কেন্দ্ৰৰ নেটৱৰ্ক গঢ়ি তুলিছে। তেওঁ লগতে কয়, যে দেশত বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনি আয়ুষ্মান ভাৰত ৰূপায়ণ কৰা হৈছে আৰু ৫৮ কোটি লোক এই আঁচনিৰ পৰা উপকৃত হৈছে। হাজাৰ হাজাৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ বিশাল নেটৱৰ্কৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই কেন্দ্ৰসমূহত কৰ্কট, মধুমেহ আৰু উচ্চ ৰক্তচাপৰ দৰে ৰোগৰ প্ৰাৰম্ভিক পৰীক্ষা আৰু

চিনাক্তকৰণৰ সুবিধা আছে। তেওঁ লগতে যথেষ্ট কম দৰত উচ্চ মানৰ ঔষধ যোগান ধৰি অহা হাজাৰ হাজাৰ ৰাজহুৱা ঔষধালয়ৰ ভূমিকাৰ বিষয়েও উল্লেখ কৰে। স্বাস্থ্য সেৱাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে গৰ্ভৱতী মহিলা আৰু শিশুৰ টীকাকৰণৰ বিষয়ে দৃষ্টি ৰখাৰ বাবে প্ৰৱৰ্তন কৰা ডিজিটেল মঞ্চ আৰু অনন্য ডিজিটেল স্বাস্থ্য পৰিচয় ব্যৱস্থাৰ দৰে ভাৰতৰ ডিজিটেল উদ্যমসমূহৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে দূৰ সংযোগ ব্যৱস্থাৰে চিকিৎসা প্ৰদানৰ টেলি মেডিচিন প্ৰণালীৰ বলত এতিয়া আৰু কোনো লোক চিকিৎসকৰ সেৱাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হোৱা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতত বিনামূলীয়া টেলি মেডিচিন সেৱাৰে ৩৪ কোটি লোকে চিকিৎসা পৰামৰ্শ লাভ কৰিছে। চৰকাৰৰ চিকিৎসা উদ্যমসমূহৰ বাবে জনসাধাৰণে কম খৰছত উন্নত চিকিৎসা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এই বছৰৰ বিষয়বস্তু **স্বাস্থ্যৰ বাবে এখন বিশ্ব** সম্পৰ্কে আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে এই বিষয়বস্তু ভাৰতৰ দৃষ্টিভংগীৰ অনুৰূপ। তেওঁ লগতে আন্তঃ চৰকাৰী নিকায় চুক্তিৰ সফল আলোচনাৰ বাবে বিশ্ব স্বাস্থ্য সংস্থা আৰু সকলো সদস্য ৰাষ্ট্ৰক অভিনন্দন জ্ঞাপন কৰে। ই বৃহত্তৰ গোলকীয় সহযোগিতাৰে ভৱিষ্যতৰ মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচায়ক বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000

গৃহ মন্ত্ৰালয়ে ২০২৬ বৰ্ষৰ পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন আহ্বান কৰিছে। এই সন্মানসমূহৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে ৩১ জুলাই পৰ্য্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। মন্ত্ৰালয়ে এটা বিবৃতিযোগে ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত উপলব্ধ আৰ্হিত ভিন ভিন ক্ষেত্ৰৰ মনোনীত ব্যক্তিৰ অভূতপূৰ্ব সাফল্যৰ স্পষ্ট বৰ্ণনাত্মক প্ৰশংসা সহ নিৰ্দিষ্ট যাৱতীয় সবিশেষ বিৱৰণ সন্নিৱিষ্ট কৰা উচিত বুলি প্ৰকাশ কৰিছে। পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। ১৯৫৪ চনত প্ৰৱৰ্তন কৰা এই সন্মানসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসত ঘোষণা কৰা হয়।

00000

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি হেগত নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক স্কোভক সাক্ষাৎ কৰে। এই বৈঠকত দুয়োগৰাকী নেতাই ভাৰত-নেডাৰলেণ্ডছ সম্বন্ধৰ অগ্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁলোকে লগতে উচ্চ পৰ্য্যায়ৰ ভ্ৰমণ আৰু আলোচনাৰ মাধ্যমেৰে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰে।

00000

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে আজি অপাৰেচন সিন্দুৰ সন্দৰ্ভত ভাৰতৰ কূটনৈতিক কাৰ্য্যসূচীৰ অংশ হিচাপে বিদেশলৈ যাবলগীয়া সৰ্বদলীয় প্ৰতিনিধি মণ্ডলৰ সদস্যসকলক প্ৰয়োজনীয় বিভিন্ন বিষয়ে অৱগত কৰে। ইয়াৰ পূৰ্বে চৰকাৰে পাকিস্তানৰ পৃষ্ঠপোষকতাত চলা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় স্থিতি সম্পৰ্কে বিশ্বৰ বিভিন্ন দেশক অৱগত কৰোৱাৰ উদ্দেশ্যে সাতটা বহুদলীয় প্ৰতিনিধি মণ্ডল কেবাখনো বিদেশী ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰা হ'ব বুলি ঘোষণা কৰিছিল। ৫৯ জন সাংসদেৰে গঠিত এই প্ৰতিনিধি দলটোৱে কাইলৈৰে পৰা অহা ৫ জুনলৈকে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহকে ধৰি মূল সহযোগী দেশসমূহ ভ্ৰমণ কৰিব। এই প্ৰতিনিধি দলসমূহক কংগ্ৰেছ সাংসদ শশী থাৰুৰ, বিজেপিৰ ৰবিশংকৰ প্ৰসাদ, বৈজয়ন্ত পাণ্ডা, জে ডি ইউৰ সঞ্জয় কুমাৰ ঝা, ডি এম

কেৰ নেতা কানিমুঝি কৰুণানিধি, এন চি পি এছ্ পিৰ সুপ্ৰিয়া সুলে আৰু শিৱসেনাৰ শ্ৰীকান্ত সিন্দেই নেতৃত্ব দিব। এই দলসমূহে আমেৰিকা যুক্তৰাষ্ট্ৰ, চৌদী আৰব, বাহৰেইন, কুৱেইট, আলজেৰিয়া, ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইটালী, ডেনমাৰ্ক, গায়েনা, ব্ৰাজিল, দক্ষিণ কোৰিয়া, জাপানকে ধৰি মুঠ ৩২ খন দেশ ভ্ৰমণ কৰিব। এই ১০ দিনীয়া ভ্ৰমণকালত ভাৰতৰ প্ৰতিনিধিসকলে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ সহমতৰ বিষয়ে বিশ্বক অৱগত কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীলতাৰ শক্তিশালী বাৰ্তাও প্ৰেৰণ কৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে ন্যায়িক সেৱাৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ পদসমূহৰ বাবে আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে অধিবক্তা হিচাপে তিনি বছৰৰ অভিজ্ঞতা পুনৰ বাধ্যতামূলক কৰিছে। অধিবক্তা হিচাপে অস্থায়ী পঞ্জীয়নৰ দিনৰ পৰা অভিজ্ঞতা নিৰ্ধাৰণ কৰা হ'ব। আজিৰ পূৰ্বে উচ্চ ন্যায়ালয়সমূহে আৰম্ভ কৰা নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অভিজ্ঞতাৰ এই নিয়ম প্ৰযোজ্য নহ'ব। ভৱিষ্যতৰ নিযুক্তিৰ ক্ষেত্ৰতহে এই চৰ্ত প্ৰযোজ্য হ'ব বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে।

০০০০০

ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক ফল পকোৱাৰ বাবে অনুঘটক আৰু কৃত্ৰিম ৰং অথবা মমৰ ব্যৱহাৰ বন্ধ কৰাৰ বাবে নিৰীক্ষণ ত্বৰান্বিত কৰিবলৈ আৰু বিশেষ অভিযান চলাবলৈ আহ্বান জনাইছে। প্ৰাধিকৰণে এখন জাননীযোগেকেলছিয়াম কাৰ্বাইডৰ দৰে ফল পকোৱাৰ বাবে ব্যৱহাৰ কৰা অনুঘটকসমূহৰ অবৈধ ব্যৱহাৰ বন্ধ কৰাৰ বাবে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ খাদ্য সুৰক্ষা আয়ুক্তৰ লগতে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণৰ আঞ্চলিক সঞ্চালকসকলক ফলৰ পাইকাৰী আৰু খুচুৰা বজাৰৰ ওপৰত সূক্ষ্ম দৃষ্টি ৰাখিবলৈ কৈছে। প্ৰাধিকৰণে লগতে ফল পকোৱাৰ নিৰাপদ প্ৰক্ৰিয়া মানি চলিবলৈ ফল ব্যৱসায়ীসকলৰ প্ৰতি আহ্বান জনাইছে। মান উলংঘা কৰিলে ২০০৬ চনৰ খাদ্য সুৰক্ষা আৰু মান আইনৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে সকিয়াই দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ পৰ্য্যটন খণ্ডৰ অগ্ৰগতিৰ বিষয়ে পৰ্য্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকৰ আহ্বান কৰে। এই বৈঠকত পৰ্য্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, পৰ্য্যটন ৰাজ্য মন্ত্ৰী সুৰেশ গোপীৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা বৃহস্পতিবাৰে ৰাজস্থানৰ বিকানেৰৰ দেশনোকৰ পৰা ১০৩ টা অমৃত ভাৰত ষ্টেচন মুকলি কৰিব। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত এই ষ্টেচনসমূহ অত্যাধুনিক সা-সুবিধাৰে সু-সজ্জিত কৰি তোলা হৈছে আৰু আঞ্চলিক সংস্কৃতি তথা ঐতিহ্য প্ৰদৰ্শনেৰে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত মহানগৰ কেন্দ্ৰ হিচাপে নতুনকৈ বিকশাই তোলা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰমাণু বিজ্ঞানী তথা দেশৰ পাৰমাণৱিক শক্তি কাৰ্য্যসূচীৰ অন্যতম হোতা ড০ এন আৰ শ্ৰীনিৱাসনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰতৰ পাৰমাণৱিক শক্তি বিকাশ কাৰ্য্যসূচীত ড০ শ্ৰীনিৱাসনৰ অৱদান আছিল অতুলনীয়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে ভাৰতৰ শক্তি, সুৰক্ষা আৰু বৈজ্ঞানিক বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ অৱদান সদায় স্মৰণ কৰা হ'ব। তেওঁ উত্তৰাধিকাৰসূত্ৰে এৰি যোৱা কৰ্মই ভৱিষ্যৎ প্ৰজন্মৰ বিজ্ঞানী আৰু অভিযন্তাসকলক সদায় অনুপ্ৰাণিত কৰি যাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোক বাৰ্তাত কয়, যে ড০ শ্ৰীনিৱাসনে ভাৰতবৰ্ষক শক্তি খণ্ডত আত্ম-নিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে শক্তিশালী পাৰমাণৱিক আন্তঃগাঁথনি বিকশাই তোলাত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। পাৰমাণৱিক শক্তি আয়োগত তেওঁ দিয়া উল্লেখযোগ্য নেতৃত্বৰ বাবেও বিশিষ্ট পৰমাণু বিজ্ঞানীগৰাকী চিৰ স্মৰণীয় হৈ ৰ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজস্থান আৰু চেন্নাই দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে' অফ পৰ্য্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে আৰু আজিৰ খেলখন উভয় দলৰ বাবে হৃত গৌৰৱ উদ্ধাৰৰ ৰণ ৰূপে পৰিগণতি হৈছে।

০০০০০

সমাপ্ত